জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৪১৭/২০২০

**শোণিতপুৰ জিলাত কৃষি আৰু ইয়াৰ আনুসংগিক খণ্ডৰ কেইবাটাও প্ৰকল্প পৰিদৰ্শন তথা শুভ উদ্বোধন কৰিলে মুখ্যমন্ত্ৰীয়ে**

## ন-দুৱাৰ উন্নয়ন খণ্ডৰ নৱ নিৰ্মিত কাৰ্যালয় ভৱনৰ শুভ উদ্বোধন কৰিলে মুখ্যমন্ত্ৰীয়ে

## মুখ্যমন্ত্ৰীয়ে আধাৰশিলা স্থাপন কৰিলে জামুগুৰিহাটৰ ঐতিহ্যমণ্ডিত বাৰেচহৰীয়া ভাওনা প্ৰকল্পৰ

## যুৱ প্ৰজন্মক কৃষিকৰ্মৰ জৰিয়তে আত্মনিৰ্ভৰশীল অসম গঢ়াৰ যাত্ৰাত আত্মনিয়োগ কৰিবলৈ মুখ্যমন্ত্ৰীৰ আহ্বান

## কন্যকা বহুমুখী পামে কৃষিখণ্ডত সফলতাৰ এক অনন্য দৃষ্টান্ত দাঙি ধৰিছে ঃ মুখ্যমন্ত্ৰী

## অৰ্থনীতিৰ হৃত গৌৰৱ ওভতাই আনিবলৈ কৃষিখণ্ডত গুৰুত্ব দিবই লাগিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১১ জুন ঃ** কৃষি খণ্ডৰ জৰিয়তে গ্ৰাম্য অৰ্থনীতিৰ সবল ভেটি গঢ়িবলৈ অসম চৰকাৰে গ্ৰহণ কৰা পদক্ষেপক বিশেষ মাত্ৰা প্ৰদান কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি শোণিতপুৰ জিলাৰ চতিয়াত বিধায়ক পদ্ম হাজৰিকাৰ নেতৃত্বত গঢ় লৈ উঠা কন্যকা বহুমুখী পাম পৰিদৰ্শন কৰি ৰাজ্য চৰকাৰৰ জলসিঞ্চন বিভাগৰ দ্বাৰা ৰূপায়িত দুখন জলসিঞ্চন প্ৰকল্পৰ শুভ উদ্বোধন কৰে। ইয়াৰ উপৰি মুখ্যমন্ত্ৰী সোণোৱালে মৎস্য পালকৰ মাজত মাছৰ পোণা বিতৰণ কৰাৰ লগতে পামখনত নিৰ্মাণ কৰা নৱনিৰ্মিত গোশালাও উদ্বোধন কৰে।

আনহাতে, আজি পুৱাৰ ভাগত মুখ্যমন্ত্ৰী সোণোৱালে কন্যকা পামৰ অধীনত স্থানীয় উদ্যোগী যুৱকৰ জৰিয়তে কৃষি কৰ্মৰ বাবে সাজু কৰা চকীঘাটত উপস্থিত হৈ ট্ৰেক্টৰেৰে হাল বাই মাটি চহায়। প্ৰায় ৭০০ বিঘাৰ এই কৃষিভূমি ৰাজ্য চৰকাৰে বেদখলকাৰীৰ পৰা উচ্ছেদ কৰি কৃষি কৰ্মৰ বাবে আবন্টন দিছে। আজি **১২৫** খন ট্ৰেক্টৰৰ জৰিয়তে এই কৃষি ভূমিত মাটি চহোৱা হয়।

উল্লেখ্য যে মুখ্যমন্ত্ৰী সোণোৱালে আজি কন্যকা বহুমুখী পামত উদ্বোধন কৰা সৌৰশক্তি চালিত ভৰলী চাপৰি গভীৰ নলী-নাদ আঁচনিখন ৬০ লাখ টকা ব্যয় কৰি বিভাগৰ তেজপুৰ সংমণ্ডলৰ জৰিয়তে

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in

ৰূপায়ণ কৰা হৈছে। ন-দুৱাৰ উন্নয়ন খণ্ডৰ অন্তৰ্গত ভৰলী চাপৰি গাঁৱৰ ২৫ হেক্টৰ মাটিকালি এই আঁচনিখনে উপকৃত কৰিব। মুখ্যমন্ত্ৰী সোণোৱালে পামখনত উদ্বোধন কৰা বৈদ্যুৎ চালিত নলী-নাদ আঁচনিখন বিভাগৰ তেজপুৰ যান্ত্ৰিক সংমণ্ডলে ৰূপায়ণ কৰিছে। এই আঁচনিখনে ৪ হেক্টৰ কৃষিভূমিক উপকৃত কৰিব।

আজি কন্যকা পাম পৰিদৰ্শন কৰি মুখ্যমন্ত্ৰী সোণোৱালে পামখনত ৰূপায়িত হৈ থকা বিভিন্ন কৃষি কৰ্মৰ প্ৰত্যক্ষভাৱে বুজ লোৱাৰ লগতে কৃষকসকলৰ লগতে সাংবাদিকৰ সৈতে মত-বিনিময় কৰে। সাংবাদিকৰ সৈতে হোৱা মত-বিনিময়ত মুখ্যমন্ত্ৰী সোণোৱালে কয় যে চতিয়া সমষ্টিৰ অন্তৰ্গত কন্যকা বহুমুখী পামে কৃষিখণ্ডত সফলতাৰ এক অনন্য দৃষ্টান্ত দাঙি ধৰিছে। পামখনে বৃহত্তৰ অঞ্চলটোৰ যুৱক-যুৱতীসকলক লৈ সফলতাৰ এক উৎকৃষ্ট নমুনা প্ৰদৰ্শন কৰিবলৈ সক্ষম হৈছে। এই পামখনে কৃষিকাৰ্যত দেখুওৱা সফলতা অসমৰ নৱ প্ৰজন্মৰ বাবে অনুপ্ৰেৰণাৰ থলী বুলিও মুখ্যমন্ত্ৰীয়ে কয়। কন্যকা পামৰ উদ্যোগীসকলে দেখুওৱা সফলতাই এই ক্ষেত্ৰত সকলোকে উৎসাহিত কৰিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে ৪ হাজাৰ যুৱক-যুৱতী তথা আত্মসহায়ক গোটক লৈ বিধায়ক পদ্ম হাজৰিকাই কন্যকাৰ জৰিয়তে প্ৰদান কৰা সবল তথা সফল নেতৃত্বৰ ভূয়সী প্ৰশংসা কৰে।

মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সকলোকে আত্মনিৰ্ভৰশীল কৰাৰ বাবে পদক্ষেপ লৈছে। আত্মনিৰ্ভৰশীল ভাৰত গঢ়াৰ বাবে সকলোকে নিষ্ঠাসহকাৰে আত্মনিয়োগ কৰাৰ বাবে প্ৰধানমন্ত্ৰীয়ে আহ্বান জনাইছে। এই আদৰ্শৰে আমিও অসমক আত্মনিৰ্ভৰশীল কৰাৰ দিশত প্ৰয়াস চলাইছো। কৃষিখণ্ডৰ জৰিয়তেহে অসমক আত্মনিৰ্ভৰশীল কৰি তোলাটো সম্ভৱ বুলি মুখ্যমন্ত্ৰীয়ে কয়। উঠি অহা প্ৰজন্মই কৃষিত নিষ্ঠাসহকাৰে আত্মনিয়োগ কৰিলেহে অসমে আত্মনিৰ্ভৰশীল হ'ব পাৰিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

অসমৰ বৰাক-ব্ৰহ্মপুত্ৰ, পাহাৰ-ভৈয়ামত থকা ৩৩ খন জিলাৰ যুৱক-যুৱতীসকলে যদিহে কন্যকাৰ লেখীয়াকৈ কৃষি আৰু ইয়াৰ আনুসংগিক খণ্ডৰ ওপৰত গুৰুত্ব আৰোপ কৰে, তেতিয়া হ'লে অসমখন আত্মনিৰ্ভৰশীল ৰাজ্য হিচাপে পৰিগণিত হ'ব বুলি মুখ্যমন্ত্ৰীয়ে কয়। নতুন নতুন উদ্ভাৱন শক্তিৰে আমি যদি বিভিন্ন খণ্ডত আত্মনিয়োগ কৰোঁ, তেতিয়াহ'লে অসমখন ভাৰতৰ ভিতৰতে অৰ্থনৈতিকভাৱে এখন অন্যতম শক্তিশালী ৰাজ্য হিচাপে পৰিগণিত হ'ব বুলি মুখ্যমন্ত্ৰীয়ে কয়। এই ক্ষেত্ৰত মুখ্যমন্ত্ৰীয়ে কয় যে অসমক প্ৰকৃতিয়ে সকলো উপহাৰ প্ৰদান কৰিছে। সেয়েহে কৃষিখণ্ডৰ জৰিয়তে অসমে ইয়াৰ উজ্জ্বল ভৱিষ্যত ৰচনা কৰিব লাগিব বুলি তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনৰ নিৱনুৱা যুৱক-যুৱতীসকলক কৃষিখণ্ডত আত্মনিয়োগ কৰাৰ বাবে আহ্বান জনায়। এই সন্দৰ্ভত কেন্দ্ৰীয় চৰকাৰ তথা ৰাজ্য চৰকাৰৰ তৰফৰ পৰা বিভিন্ন আঁচনি গ্ৰহণ কৰা হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে ইয়াৰ সুফল লাভ কৰাৰ বাবে আহ্বান জনায়।

মুখ্যমন্ত্ৰীয়ে কয় যে ক'ভিড-১৯ সৃষ্ট লক ডাউনৰ সময়ছোৱাত ৰাজ্যখনে বিভিন্ন ক্ষেত্ৰসমূহৰ সম্ভাৱনীয়তাৰ বিষয়ে অৱগত হৈছে। এই সময়ছোৱাতে আত্মনিৰ্ভৰশীল তথা স্থানীয় বজাৰৰ চাহিদাৰ বিষয়ে ৰাজ্যখনে অভিজ্ঞতা লাভ কৰিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে উঠি অহা প্ৰজন্মক কৃষিখণ্ডত আত্মনিয়োগ কৰি স্বনিৰ্ভৰশীল অসম গঢ়ি তোলাৰ দিশত ইতিবাচক বৰঙণি যোগাৱাৰ বাবে আহ্বান জনায়।

# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

ব্ৰিটিছৰ আমোলত অসম ভাৰতৰ শ্ৰেষ্ঠ পাঁচখন ৰাজ্যৰ ভিতৰত অন্যতম আছিল বুলি উল্লেখ কৰি কৃষি আৰু আনুসংগিক খণ্ডত যদি বৰ্তমানেও অধিক গুৰুত্ব প্ৰদান কৰা যায় তেতিয়াহ'লে অসমে এই হৃত গৌৰৱ ওভতাই পাবলৈ সক্ষম হ'ব বুলি মুখ্যমন্ত্ৰীয়ে কয়। ইয়াৰ জৰিয়তে নিজৰ স্থানীয় বজাৰৰ উপৰি চুবুৰীয়া ৰাজ্যসমূহৰ বজাৰ অসমে দখল কৰিবলৈ সক্ষম হ'ব বুলি মুখ্যমন্ত্ৰীয়ে কয়। এই ক্ষেত্ৰত কন্যকা বহুমুখী কৃষি পামে উজ্জ্বল উদাহৰণ দাঙি ধৰিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে কৃষি আৰু ইয়াৰ আনুসংগিক খণ্ডত লাভ কৰা কৃষকসকলৰ সফলতাৰ কাহিনী উপযুক্ত প্ৰচাৰ আৰু প্ৰসাৰৰ ব্যৱস্থা কৰিবলৈ সংবাদসেৱীসকলক আহ্বান জনায়, যাতে এই সফলতাৰ কাহিনীৰ জৰিয়তে ৰাজ্যখনৰ উঠি অহা প্ৰজন্মই আৰু অধিক উৎসাহিত হ'ব পাৰে।

আনহাতে আজি ৰাতিপুৱাৰ ভাগতে মুখ্যমন্ত্ৰী সোণোৱালে জিলাখনৰ চাৰিদুৱাৰ গড়মাৰা গাঁৱত উপস্থিত হৈ স্থানীয় আত্মসহায়ক গোট 'সেৱা'ই ৰূপায়ণ কৰা এখন পশুধন পাম পৰিদৰ্শন কৰে। মুখ্যমন্ত্ৰী সোণোৱালে পামখন পৰিচালনা কৰা উদ্যোগী যুৱক তথা গড়মাৰা গাঁও পঞ্চায়তৰ সভাপতি চহান প্ৰধানৰ লগতে আন পশুপালকসকলৰ সৈতে মত-বিনিময় কৰি পামখনৰ কাম-কাজৰ বুজ লয়।

মুখ্যমন্ত্ৰী সোণোৱালে লগতে জিলাখনৰ বৰপুখুৰী কৃষিপামত উপস্থিত হৈ পামখনৰ অধীনস্থ এটা গোশালাও পৰিদৰ্শন কৰে।

তদুপৰি মুখ্যমন্ত্ৰী সোণোৱালে আজি জামুগুৰিহাটত নৱনিৰ্মিত ন-দুৱাৰ উন্নয়ন খণ্ড আৰু আঞ্চলিক পঞ্চায়তৰ কাৰ্যালয় ভৱনো উদ্বোন কৰে। মুখ্যমন্ত্ৰী সোণোৱালে জামুগুৰিহাটতে অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ পুঁজিৰে গড়কাপ্তানি (গৃহ) বিভাগে নিৰ্মাণ কৰিবলগীয়া ঐতিহ্যমণ্ডিত বাৰেচহৰীয়া ভাওনা প্ৰকল্পৰো আধাৰশিলা স্থাপন কৰে।

মুখ্যমন্ত্ৰী সোণোৱালৰ দিনজোৰা এই কাৰ্যসূচীৰ সময়ত স্থানীয় বিধায়ক পদ্ম হাজৰিকাৰ লগতে অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী নৱ কুমাৰ দলে, জলসিঞ্চন বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী ভৱেশ কলিতা, ৰাজ্যসভাৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা, তেজপুৰ লোকসভা সমষ্টিৰ সাংসদ পল্লৱ লোচন দাস, বিধায়কসকল ক্ৰমে প্ৰমোদ বৰঠাকুৰ, গণেশ লিম্বু আৰু অশোক সিংহাল, মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামীৰ লগতে শোণিতপুৰ জিলাৰ উপায়ুক্ত মানৱেন্দ্ৰ প্ৰতাপ সিং আৰু আৰক্ষী অধীক্ষক মুগ্ধজ্যোতি দেৱ মহন্তও উপস্থিত থাকে।

**বীঃগঃ**
**১১/০৬/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in